পাঠ- 14

# জোখ-মাখৰ প্ৰয়োগ

## বজাৰলৈ যাওঁ আহা

দেওবাৰে ৰাতিপুৱা 9.30 বজাত প্ৰীতমে দেউতাকৰ লগত স্কুটাৰেৰে বজাৰলৈ যাবলৈ ওলাল। মাকে মোনা এটাৰ লগতে দুয়োৰে হেলমেট দুটা আনি দিলেহি। বজাৰলৈ গৈ তলত উল্লেখ কৰা ধৰণেৰে বস্তুবোৰ কিনিলে—



a) চেনি — 2 কি গ্ৰা
b) মচুৰ দাইল — 500 গ্ৰাম
c) মিঠাতেল — 1 লিটাৰ
d) চাহপাত — 250 গ্ৰাম
e) ৰিফাইণ্ড তেল— 500 মি লি
f) নিমখ — 1 কি গ্ৰা
g) দৰ্জাৰ বাবে পৰ্দাৰ কাপোৰ — 2 মি 50 চে মি
h) খিৰিকীৰ বাবে পৰ্দাৰ কাপোৰ —1 মি 50 চে মি

বজাৰ কৰি দিনৰ 11 বজাত দুয়ো ঘৰ পালেহি। হাত-ভৰি ধোৱাৰ পাছত দেউতাকে প্ৰীতমক বজাৰলৈ যোৱাৰ পৰা ঘূৰি আহি ঘৰ পোৱালৈকে লগা সময়কে ধৰি কিনি অনা বস্তুসমূহৰ এখন তালিকা প্ৰস্তুত কৰিবলৈ ক'লে। **প্ৰীতমক তালিকাখন প্ৰস্তুত কৰাত সহায় কৰোঁ আহা**

| বজাৰ কৰোঁতে লগা সময় | দৈৰ্ঘ্যৰ একককেৰে জোখা মুঠ বস্তু | ওজনৰ একককেৰে জোখা মুঠ বস্তু | আয়তনৰ একককেৰে জোখা মুঠ বস্তু |
|---|---|---|---|
| বজাৰলৈ যোৱা সময় পুৱা 9.30 বজা<br>ঘূৰি অহা সময় দিনৰ 11.00 বজা | দৰ্জাৰ পৰ্দা কাপোৰ = 2.5 মি<br>খিৰিকীৰ পৰ্দা কাপোৰ=1.5 মি | চেনি = 2 কি গ্ৰা<br>চাহপাত = 250 গ্ৰাম<br>নিমখ = 1 কি গ্ৰা<br>মচুৰ দাইল = 500 গ্ৰাম | মিঠাতেল =1 লি<br>ৰিফাইণ্ড তেল = 500 মি লি |
| মুঠ সময় ঃ 1 ঘণ্টা 30 মি | মুঠ ঃ 4 মিটাৰ | মুঠ ঃ 3.750 কি গ্ৰা | মুঠ ঃ 1.500 লি |





**এতিয়া তালিকাখন ভালদৰে চোৱা আৰু তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিবলৈ চেষ্টা কৰা**

a) বজাৰ কৰা কামটোত প্ৰীতমহঁতক মুঠতে কিমান সময় লাগিছিল ?
_____ ঘণ্টা _____ মিনিট।

b) পৰ্দাৰ কাপোৰৰ মুঠ দৈৰ্ঘ্য কিমান আছিল ? _____ মিটাৰ।

c) ওজনৰ একককেৰে জুখি অনা বস্তুৰ মুঠ ওজন কিমান আছিল ? ☐ কি গ্ৰা ☐ গ্ৰা।

d) আয়তনৰ একককেৰে জোখা বস্তুৰ মুঠ আয়তন কিমান পালা ? ☐ লি।

◆ **দলত আলোচনা কৰা**

প্ৰীতমে তালিকাখন প্ৰস্তুত কৰোঁতে দৈৰ্ঘ্যৰ একককেৰে জোখা বস্তুৰ লগত ওজনৰ একককেৰে জোখা বস্তুবোৰ নাইবা সময়ৰ জোখৰ লগত আয়তনৰ একককেৰে জোখা বস্তুবোৰ একেলগে নাৰাখিলে কিয় ?

◆ **লক্ষ্য কৰা**

তোমালোকে ওজন আৰু আয়তন নাইবা দৈৰ্ঘ্য আৰু সময় জোখৰ মাজত যোগ-বিয়োগ আদি কৰিব পাৰিবানে ? নিশ্চয় নোৱাৰিবা। নহয় নে বাৰু ?

**মনত ৰাখিবা—** দৈৰ্ঘ্য, ওজন, আয়তন, সময়, টকা-পইচা আদিৰ জোখ-মাখ কৰোঁতে আমি সকলোবোৰ একেলগ কৰি গণনা কৰিব নোৱাৰো। দৈৰ্ঘ্যৰ লগত দৈৰ্ঘ্য, ওজনৰ লগত ওজন, আয়তনৰ লগত আয়তন, সময়ৰ লগত সময় অথবা টকা-পইচাৰ লগত টকা-পইচাৰহে যোগ-বিয়োগ আদি গণনাবোৰ কৰিব পাৰোঁ।

**যোগ কৰোঁ আহা**

**উদাহৰণ ঃ** 5 মি 34 চে মি, 8 মি 50 চে মি, 2 মি

**সমাধান ঃ**

```
   5 মি 34 চে মি
 + 8 মি 50 চে মি
 + 2 মি 00 চে মি
 ---------------
  15 মি 84 চে মি
```

বা, 15.84 মি

15 মি 84 চে মি

$= 15$ মি $+ 84 \times \frac{1}{100}$ মি $\left[1 \text{ চে মি} = \frac{1}{100} \text{ মি}\right]$

$= 15$ মি $+ 0.84$ মি

$= 15.84$ মি

**উত্তৰ ঃ** 15.84 মি

নাইবা

5 মি 34 চে মি + 8 মি 50 চে মি + 2 মি
= 5.34 মি + 8.50 মি + 2.00 মি
= 15.84 মি

উত্তৰ ঃ 15.84 মি

$$\begin{array}{r} 5.34 \\ 8.50 \\ +\ 2.00 \\ \hline 15.84 \end{array}$$

5 মি 34 চে মি
= 5 মি + 34 × $\frac{1}{100}$ মি   [1 চে মি = $\frac{1}{100}$ মি]
= 5 মি + 0.34 মি = 5.34 মি
একেদৰে 8 মি 50 চে মি = 8.50 মি
আৰু 2 মি = 2.00 মি

**যোগ কৰা**

a) 6 মি 35 চে মি, 7 মি 45 চে মি।
b) 3 কি মি 422 মি, 10 কি মি 891 মি, 525 মি।
c) 18 কি মি 70 মি, 15 কি মি, 23 কি মি 378 মি।
d) 8 কি গ্ৰা 732 গ্ৰাম, 35 কি গ্ৰা 690 গ্ৰাম।
e) 4 লি 500 মি লি, 12 লি 750 মি লি।
f) 250 মি লি, 17 লি 350 মি লি, 8 লি 50 মি লি।

**বিয়োগ কৰোঁ আহা**

15 মিটাৰ 40 চে মিৰ পৰা 7 মি 30 চে মি

সমাধান ঃ
  15 মি 40 চে মি
− 7 মি 30 চে মি
  8 মি 10 চে মি
= 8.10 মি

উত্তৰ ঃ 8.1 মি

8 মি 10 চে মি
= 8 মি + 10 চে মি
= 8 মি + 10 × $\frac{1}{100}$ মি [100 চেমি = $\frac{1}{100}$ মি]
= 8 মি + 0.10 মি
= 8.10 মি বা 8.1 মি

এই সমস্যাটোৰ প্ৰতিটো মাপকে মিটাৰ এককলৈ পৰিবৰ্তন কৰিও আমি সমাধান কৰিব পাৰো

15 মি 40 চেমি – 7 মি 30 চে মি
= 15.4 মি – 7.3 মি
= 8.1 মি

$$\begin{array}{r} 15.4 \\ -\ 7.3 \\ \hline 8.1 \end{array}$$

উত্তৰ ঃ 8.1 মি

15 মি 40 চে মি
= 15 মি + 40 × $\frac{1}{100}$ মি   [1 চে মি = $\frac{1}{100}$ মি]
= 15 মি + 0.4 মি = 15.4 মি
একেদৰে 7 মি 30 চে মি = 7.3 মি





**বিয়োগ কৰা**

a) 10 মি 80 চে মিৰ পৰা 7 মি 50 চে মি।
b) 14 মি 30 চে মিৰ পৰা 9 মি।
c) 160 গ্ৰামৰ পৰা 110 গ্ৰাম।
d) 7 কিলোগ্ৰাম 250 গ্ৰামৰ পৰা 5 কিলোগ্ৰাম 105 গ্ৰাম।
e) 12.500 কিলোগ্ৰামৰ পৰা 6.250 কিলোগ্ৰাম।
f) 3 লি 900 মি লিৰ পৰা 2 লি 500 মি লি।

◆ কোনটো কিমান দূৰত চাওঁ আহা




ওপৰৰ ছবিখনৰ সহায়ত তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখোঁ আহা

a) কাৰ ঘৰৰ পৰা বিদ্যালয়লৈ দূৰত্ব সকলোতকৈ কম? ______
b) স্নেহাই পোনপটীয়াকৈ বিদ্যালয়লৈ যাওঁতে 20 মিনিট সময় লাগে। নীহাৰিকাহঁতৰ ঘৰ হৈ গ'লে সময় বেছি লাগিব নে, কম লাগিব? ______
c) নীহাৰিকা আৰু নিকিতাহঁতৰ মাজৰ কাৰ ঘৰৰ পৰা বিদ্যালয়ৰ দূৰত্ব বেছি আৰু কিমান বেছি? নীহাৰিকাৰ নে নিকিতাৰ? ______
d) নীহাৰিকা আৰু নিকিতাই স্নেহাহঁতৰ ঘৰলৈ খেলিবলৈ আহিলে কোনে বেছি খোজকাঢ়িব লাগিব আৰু কিমান বেছি খোজকাঢ়িব লাগিব? ______ কিমি বেছি।

◆ **দূৰত্ব উলিয়াওঁ আহা**

তলৰ তালিকাখন চোৱা আৰু দলত বহি আলোচনা কৰি খালী ঠাই পুৰ কৰিবলৈ চেষ্টা কৰা।

(দূৰত্ববোৰ কিলোমিটাৰ হিচাপত দিয়া আছে।)

| ↵ | ধেমাজি | লখিমপুৰ | তেজপুৰ | নগাঁও | গুৱাহাটী | বঙাইগাঁও | ধুবুৰী |
|---|---|---|---|---|---|---|---|
| ধেমাজি | 0 | 72 | 288 | | 462 | 672 | 749 |
| লখিমপুৰ | 72 | 0 | 216 | | 390 | | |
| তেজপুৰ | | 216 | 0 | | | 384 | |
| নগাঁও | | 267 | | 0 | 123 | | |
| গুৱাহাটী | | | | 123 | 0 | | 287 |
| বঙাইগাঁও | | 600 | | | | 0 | 77 |
| ধুবুৰী | | 677 | | | | 77 | 0 |

→ প্ৰত্যেক দলে পোৱা সমাধানবোৰ একে হৈছেনে চোৱা

◆ **দৈৰ্ঘ্য আৰু দূৰত্ব সম্পৰ্কীয় কেইটামান বাস্তৱ সমস্যা সমাধান কৰোঁ আহা**

1. মাধুৰ্যৰ ঘৰৰ পৰা মোমায়েকৰ ঘৰৰ দূৰত্ব 52 কি মি। মাধুৰ্যই ঘৰৰ পৰা 0.75 কিমি খোজকাঢ়ি, 5.25 কিমি ই-ৰিক্সাৰে আৰু বাকী অংশ বাছেৰে গৈ মোমায়েকৰ ঘৰ পালেগৈ। মাধুৰ্যই বাছেৰে কিমান দূৰত্ব গ'ল?

2. পুখুৰী এটাৰ মাজত পুতি থোৱা 4 মিটাৰ দৈৰ্ঘ্যৰ খুঁটি এটাৰ 0.5 মিটাৰ বোকাত, 2.25 মিটাৰ পানীত আছে। খুঁটিটোৰ পানীৰ ওপৰত থকা অংশৰ দৈৰ্ঘ্য কিমান?

3. হৰেনৰ দেউতাকে গোহালি ঘৰ এটা সাজিবলৈ 3 মিটাৰ দৈৰ্ঘ্যৰ 6 টা খুঁটা কাটিলে। খুঁটাকেইটাৰ মুঠ দৈৰ্ঘ্য কিমান হ'ব?

4. চাইকেল এখনৰ চকাৰ বেৰ 250 চেমি। মানসে ঘৰৰ পৰা 1.5 কিমি দূৰৰ বিদ্যালয়লৈ আহোঁতে চাইকেলৰ চকাটো কিমান পাক ঘূৰিব? (*ইংগিত : চকাৰ বেৰ = এপাক ঘূৰা দূৰত্ব।*)







◆ **ওজন সম্বন্ধীয় কেইটামান সমস্যা সমাধান কৰোঁ আহা**

ৰীমাৰ জন্মদিনত খুৱাকে তলত দিয়া ধৰণে বস্তুবোৰ বজাৰৰ পৰা কিনি আনিলে

| ক্ৰমিক নং | বস্তুৰ বিৱৰণ | পৰিমাণ | মূল্যৰ হাৰ (টকাত) | মুঠ মূল্য (টকাত) |
|---|---|---|---|---|
| 01 | চাউল | 5 কি গ্ৰা | 30.00 | 150.00 |
| 02 | মচুৰ দাইল | 2 কি গ্ৰা | 70.00 | 140.00 |
| 03 | আলু | 3 কি গ্ৰা | 20.00 | 60.00 |
| 04 | পিঁয়াজ | 500 গ্ৰাম | 40.00 | 20.00 |
| 05 | বিলাহী | 1 কি গ্ৰা | 30.00 | 30.00 |
| 06 | মাছ | 3 কি গ্ৰা | 250.00 | 750.00 |
| 07 | কেক্ | 500 গ্ৰাম | 700.00 | 350.00 |
| 08 | নেমু | 10 টা | 3.00 | 30.00 |
| 09 | জলকীয়া | 250 গ্ৰাম | 100.00 | 25.00 |
| 10. | হালধি | 200 গ্ৰাম | 150.00 | 30.00 |

সৰ্বমুঠ = ☐

তালিকাখন ভালদৰে মন কৰা আৰু তলৰ প্ৰশ্নকেইটাৰ উত্তৰ উলিয়াবলৈ চেষ্টা কৰোঁ আহা

a) তালিকাখনৰ ক্ৰমিক নং 1ৰ পৰা 5 লৈকে বস্তুকেইপদৰ মুঠ ওজন কিমান? ☐

b) সেইকেইপদ বস্তুৰ মুঠ খৰচ কিমান পালা? ☐

c) তালিকাখন মতে 5 কেজি পিঁয়াজৰ দাম কিমান? ☐

d) ৰীমাৰ খুৱাকৰ মুঠতে কিমান টকা খৰচ হৈছিল? ☐

e) তালিকাখনৰ সকলোতকৈ বেছি মূল্যৰ হাৰ থকা বস্তুটো কি? ☐

**মনত ৰাখিবা :** বস্তুৰ 'মূল্যৰ হাৰ'এ প্ৰতি একক পৰিমাণৰ বস্তুৰ মূল্য বুজায়। তোমালোকে নিজে বজাৰ কৰিবলৈ যাওঁতে দোকানীক প্ৰতিটো বস্তুৰ মূল্যৰ হাৰ সুধি তালিকাখনত লিখি অনাটো অভ্যাস কৰিবা।

*শিক্ষকলৈ নিৰ্দেশনা : 'মূল্যৰ হাৰ' বুলিলে কি বুজায় তাক শ্ৰেণীকোঠাত আলোচনা কৰিব।*

◆ **সমস্যাবোৰ পঢ়া আৰু সমাধান কৰা**

1. এটা বস্তাত 40 কিলোগ্ৰাম 500 গ্ৰাম চাউল আছে। 50 কিলোগ্ৰাম হ'বলৈ আৰু কিমান চাউল লাগিব?
2. এখন চাহৰ দোকানত এমাহত 14.2 কিলোগ্ৰাম ওজনৰ 2 টা গেছ চিলিণ্ডাৰ (L.P.G.)ৰ প্ৰয়োজন হয়। দোকানখনত মাহটোত মুঠতে কিমান গেছৰ প্ৰয়োজন হয়?
3. প্ৰদীপে চাৰিটা আপেল বিচৰাত দোকানীয়ে তুলাচনীখনৰ এফালে 1 কিলোগ্ৰামৰ দগা এটা দিলে আৰু আনফালে 4 টা আপেল দিয়াৰ পাছত তুলাচনীখন সমতুল কৰিবলৈ আপেলৰ লগত 100 গ্ৰামৰ এটা আৰু 50 গ্ৰামৰ এটা দগা দিলে। এতিয়া প্ৰদীপে কিনা আপেল চাৰিটাৰ মুঠ ওজন কিমান হ'ল?
4. 4 কিলোগ্ৰাম বুন্দিয়াক 250 গ্ৰামকৈ পেকেট কৰিলে কিমানটা পেকেট হ'ব?
5. এদিন জুৰেলে পাচলি কিনিবলৈ গ'ল। দোকানীক 10 টকাৰ লেচেৰা মাহ দিবলৈ কোৱাত দোকানীজনে 300 গ্ৰাম পাবা বুলি ক'লে। কিন্তু দোকানীজনৰ ওচৰত 500 গ্ৰাম আৰু 200 গ্ৰামৰ দগাহে আছে। এতিয়া দোকানীজনে জুৰেলক 300 গ্ৰামৰ লেচেৰা মাহ কেনেকৈ জুখি দিব?

◆ **আয়তন সম্বন্ধীয় সমস্যাকেইটামান সমাধান কৰোঁ আহা (দলত বহি কৰা)**

1. ভনীয়েকৰ জন্মদিনত বাবুলে বৰদেউতাকৰ ঘৰৰ পৰা 2 লিটাৰ, গোৱাল ৰামুৰ পৰা 5 লিটাৰ আৰু হোটেলৰ পৰা 2 লিটাৰ 500 মি লি গাখীৰ আনিলে। বাবুলে সেইদিনা মুঠতে কিমান গাখীৰ আনিলে?
2. এখন সমবায়ৰ খুচুৰা বিক্ৰী কেন্দ্ৰৰ পৰা আনন্দই 3 লিটাৰ, ফজলে 2.5 লিটাৰ, বিপুলে 5 লিটাৰ আৰু চিমীয়ে 1.5 লিটাৰ কেৰাচিন তেল কিনিলে। যদি দোকানখনত 20 লিটাৰ তেল আছিল, বিক্ৰীৰ পাছত আৰু কিমান তেল জমা থাকিল?
3. কোনো এখন বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ 47 জন ছাত্ৰ-ছাত্ৰীয়ে প্ৰত্যেকেই প্ৰতিদিনে গাইপতি 2 লিটাৰকৈ পানী খালে 6 দিনত কিমান পানীৰ প্ৰয়োজন হ'ব?
4. ৰাষ্ট্ৰীয় শিক্ষা দিৱস উপলক্ষে আয়োজন কৰা শোভাযাত্ৰাৰ অন্তত নাৰায়ণপুৰ বালিকা মজলীয়া বিদ্যালয়ৰ 350 গৰাকী অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীৰ মাজত নেমুৰ চৰ্বত সমানে ভগাই দিয়া হ'ল। প্ৰত্যেকৰে ভাগত 200 মি লি কৈ চৰ্বত পৰিলে মুঠ চৰ্বতৰ পৰিমাণ কিমান লিটাৰ আছিল?





◆ **সময় সম্বন্ধীয় সমস্যাকেইটামান সমাধান কৰিবলৈ চেষ্টা কৰোঁ আহা**

অম্লানে বিদ্যালয় খোলা থকা দিন এটাৰ 24 ঘণ্টা তলত দিয়া ধৰণেৰে অতিবাহিত কৰে—



a) পৰিষ্কাৰ-পৰিচ্ছন্নতাত — 45 মিনিট
b) খোৱা-বোৱাত — 1 ঘণ্টা
c) খেল-ধেমালিত — 1 ঘণ্টা
d) পিতৃ-মাতৃক ঘৰুৱা কামত সহায় কৰাত — 1 ঘণ্টা
e) বিদ্যালয়ৰ পৰা আহি জিৰণি লোৱাত — 30 মিনিট
f) ৰাতি শোৱাত — 8 ঘণ্টা
g) পঢ়া-শুনাত (i) পুৱা 6.00 বজাৰ পৰা 7.30 বজালৈ
(ii) গধূলি 6.30 বজাৰ পৰা 9.00 বজালৈ
h) বিদ্যালয়ত থকা সময়— পুৱা 8.45 বজাৰ পৰা 3.30 বজালৈ
বাকী থকা সময়খিনিত বাতৰিকাকত/আলোচনী আদি পঢ়া, টিভি চোৱা, সামাজিক কামকাজ আদি অন্যান্য কামত ব্যৱহাৰ কৰে।

**এতিয়া তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিওঁ আহা**

1. অম্লানে ঘৰত কিমান সময় পঢ়া-শুনা কৰে? ____ঘণ্টা ____মিনিট।
2. বিদ্যালয়ত কিমান সময় অতিবাহিত কৰে? ____ঘণ্টা ____মিনিট।
3. বিদ্যালয় ছুটীৰ পিছত গধূলি ঘৰত পঢ়িবলৈ বহালৈকে অম্লানে কিমান সময় মুকলিকৈ পায়? ____ঘণ্টা ____মিনিট।
4. অন্যান্য কামৰ বাবে অম্লানে কিমান সময় পায়? ____ঘণ্টা ____মিনিট।
5. ৰাতি 9.30 বজাত শুবলৈ গ'লে অম্লানে পুৱা কিমান বজাত শোৱাৰ পৰা উঠে? ☐
6. দিনটোৰ মুঠ সময়ৰ কিমান অংশ অম্লানে ঘৰত পঢ়ে? ☐
7. দিনটোৰ মুঠসময়ৰ কিমান অংশ অম্লানে শোওঁতে ব্যৱহাৰ কৰে? ☐

**প্ৰকল্প ঃ** তুমি বিদ্যালয় বন্ধ থকা দিনবোৰ কিদৰে অতিবাহিত কৰা তাৰ এখন সময় তালিকা প্ৰস্তুত কৰা। শ্ৰেণীকোঠাত ইজনে সিজনৰ লগত আলোচনা কৰা।

* * *

## পঞ্চম শ্ৰেণী

### —ঃ পাঠ অনুযায়ী শিকনৰ ফলাফল ঃ—

| পাঠ | পাঠৰ নাম | শিকনৰ ফলাফল |
|---|---|---|
| 1 | সংখ্যা আৰু প্ৰক্ৰিয়া | ● ছাত্ৰ-ছাত্ৰীয়ে ডাঙৰ সংখ্যাৰ সৈতে কাৰ্য কৰিব পাৰিব।<br>● চৌপাশত ব্যৱহাৰ হৈ থকা 1000 তকৈ ডাঙৰ সংখ্যাবোৰ পঢ়িব আৰু লিখিব পাৰিব।<br>● 1000তকৈ ডাঙৰ সংখ্যাসমূহৰ স্থানীয় মান বুজি পাব আৰু কেইটামান মৌলিক প্ৰক্ৰিয়াত ব্যৱহাৰ কৰিব পাৰিব।<br>● এটা ডাঙৰ সংখ্যাক স্থানীয়মান অনুসাৰে ভাঙি লৈ উপযুক্ত নিয়ম ব্যৱহাৰ কৰি যোগ, বিয়োগ আৰু পুৰণ কৰিব পাৰিব। |
| 2 | কোণ | ● কোণ আৰু আকৃতিৰ ধাৰণা উদ্ভাৱন কৰিব পাৰিব।<br>● কোণবিলাক সমকোণ, সূক্ষ্মকোণ, স্থূলকোণ হিচাপে শ্ৰেণীবিভাজন কৰিব জানিব আৰু সেইবোৰ ছবিৰে বা নক্সাৰে প্ৰকাশ কৰিব পাৰিব। |
| 3 | কালি আৰু পৰিসীমা | ● ছাত্ৰ-ছাত্ৰীয়ে সৰল জ্যামিতিক আকৃতি যেনে আয়ত, বৰ্গ আৰু ত্ৰিভূজৰ পৰিসীমা নিৰ্ণয় কৰিব পাৰিব।<br>● ছাত্ৰ-ছাত্ৰীয়ে আয়ত আৰু বৰ্গৰ কালি নিৰ্ণয় কৰিব পাৰিব। |
| 4 | গুণিতক আৰু উৎপাদক | ● পুৰণৰ নিয়ম, এটা এৰি এটা গণনা কৰা, উৎপাদক বৃক্ষ আৰু উৎপাদক চকৰিৰ জৰিয়তে উৎপাদকৰ ধাৰণাৰ বিকাশ কৰিব পাৰিব।<br>● গুণিতকৰ ধাৰণাৰ বিকাশ হ'ব। |
| 5 | ত্ৰিমাত্ৰিক আৰু দ্বিমাত্ৰিক বস্তু | ● ত্ৰিমাত্ৰিক আকৃতি এটা দ্বিমাত্ৰিক আকৃতিত আঁকি প্ৰকাশ কৰিব পাৰিব।<br>● নক্সা ব্যৱহাৰ কৰি ঘনক, চিলিণ্ডাৰ, শংকু তৈয়াৰ কৰিব পাৰিব। |
| 6 | হৰণ | ● উপযুক্ত নিয়ম ব্যৱহাৰ কৰি এটা সংখ্যাক আন এটা সংখ্যাৰে হৰণ কৰিব পাৰিব।<br>● এটা ডাঙৰ সংখ্যাক স্থানীয়মান অনুসাৰে ভাঙি লৈ উপযুক্ত নিয়ম ব্যৱহাৰ কৰি হৰণ কৰিব পাৰিব। |
| 7 | ভগ্নাংশ আৰু দশমিক ভগ্নাংশ | ● ভগ্নাংশৰ বিষয়ে বোধ জন্মিব। এটা সংগ্ৰহৰ পৰা অংশবিলাক বাছি উলিয়াব জানিব।<br>● প্ৰদত্ত ভগ্নাংশ এটাৰ সমতুল্য ভগ্নাংশ গঠন কৰিব পাৰিব আৰু বাছি উলিয়াব জানিব।<br>● ভগ্নাংশক দশমিক ৰূপত প্ৰকাশ কৰিব শিকিব।<br>● দশমিক ৰূপৰ পৰা সাধাৰণ ভগ্নাংশত প্ৰকাশ কৰিব শিকিব। |



| পাঠ | পাঠৰ নাম | শিকনৰ ফলাফল |
|---|---|---|
| 8 | জোখ-মাখ (দৈৰ্ঘ্য) | ● দৈৰ্ঘ্য জুখিব পৰা কিছুমান ডাঙৰ আৰু সৰু এককৰ মাজত থকা সম্বন্ধবোৰ জানিব।<br>● সৰু একককে ডাঙৰ এককলৈ আৰু ডাঙৰ একককে সৰু এককলৈ ৰূপান্তৰ কৰিবলৈ শিকিব। |
| 9 | সমমিতি | ● সমমিতি বুজি পাব।<br>● পৰিবেশত পোৱা বিভিন্ন আকৃতি বিলাকৰ ঘূৰ্ণন আৰু প্ৰতিফলন সমিমিতি বাছি উলিয়াবলৈ জানিব। |
| 10 | দৈনন্দিন জীৱনত সংখ্যাৰ ব্যৱহাৰ | ● সংখ্যাৰ আনুমানিক গণনা কৰিব পাৰিব।<br>● টকা-পইচা, দৈৰ্ঘ্য, ভৰ, ধাৰণ ক্ষমতা আৰু সময় সম্বন্ধীয় সমস্যামূলক অংকসমূহ পাটিগণিতৰ মৌলিক চাৰি প্ৰক্ৰিয়াৰে সমাধান কৰিবলৈ শিকিব। |
| 11 | আয়তন আৰু ভৰৰ জোখ | ● আয়তন আৰু ভৰ জুখিব পৰা কিছুমান ডাঙৰ আৰু সৰু এককৰ মাজৰ সম্বন্ধ জনিব।<br>● সৰু একককে ডাঙৰ এককলৈ আৰু ডাঙৰ একককে সৰু এককলৈ ৰূপান্তৰ কৰিব শিকিব। |
| 12 | তথ্যৰ ব্যৱহাৰ | ● দৈনন্দিন জীৱনৰ লগত জড়িত বিভিন্ন তথ্য সংগ্ৰহ কৰি তালিকা প্ৰস্তুত কৰিব পাৰিব।<br>● তথ্যসমূহ দণ্ডচিত্ৰৰে প্ৰকাশ কৰি ব্যাখ্যা কৰিব শিকিব। |
| 13 | চানেকি চাওঁ আহা | ● ত্ৰিভূজীয় সংখ্যা আৰু বৰ্গ সংখ্যাৰ চানেকিবোৰ চিনাক্ত কৰিব পাৰিব।<br>● বিভিন্ন ধৰণৰ চানেকিৰ লগতে সংখ্যাৰ চানেকিসমূহ উলিয়াব পাৰিব। |
| 14 | জোখ-মাখৰ প্ৰয়োগ | ● ছাত্ৰ-ছাত্ৰীয়ে দৈনন্দিন জীৱনৰ লগত জড়িত দৈৰ্ঘ্য, ওজন, আয়তন আৰু সময় সমন্ধীয় সমস্যাসমূহ পাটিগণিতৰ মৌলিক চাৰি প্ৰক্ৰিয়াৰে সমাধান কৰিবলৈ শিকিব। |